# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date : 22-09-2024**
**Time : 18-45 Hrs**

**ASSAMESE EVENING BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। স্বাধীনতা দিৱসৰ দিনা ৰাজ্যৰ বিভিন্ন প্ৰান্তত আই ই ডি সদৃশ সামগ্ৰী স্থাপনৰ অভিযোগত অসম আৰক্ষী আৰু এন আই এৰ অভিযানত ১৫ জন লোকক গ্ৰেপ্তাৰ।

২। ৰাজ্যৰ বিভিন্ন স্থানত বিশ্ব গঁড় দিৱস উদযাপন। এটা খড়্গযুক্ত গঁড়ৰ বৃহৎ বিচৰণভূমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিবলৈ প্ৰধানমন্ত্ৰীৰ আহ্বান।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সভাপতি হিচাপে লৈ ২০২৪ৰ পৰা ২০২৮ বৰ্ষলৈ অসম অলিম্পিক সন্থাৰ নতুন সমিতি ঘোষণা। ***আৰু***

৪। বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ২৮০ ৰাণত জয়ী।

০০০০

স্বাধীনতা দিৱসৰ সময়ত ৰাজ্যৰ বিভিন্ন প্ৰান্তত সন্দেহযুক্ত বোমা সদৃশ সামগ্ৰী সংস্থাপনৰ ঘটনাৰ তদন্তৰ অংশ হিচাপে অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান চলাই ১৫ জন লোকক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে গ্ৰেপ্তাৰ কৰা লোকসকলৰ ভিতৰত তিনিগৰাকী মহিলা। ডিব্ৰুগড় আৰু লখিমপুৰৰ পৰা তিনিজনকৈ লোকক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে যোৰহাট আৰু গুৱাহাটীৰ পৰা দুজনকৈ লোকক গ্ৰেপ্তাৰ কৰা হয়। ইফালে, তিনিচুকীয়া, শদিয়া, নগাঁও, নলবাৰী, তামুলপুৰৰ পৰা এজনকৈ লোকক গ্ৰেপ্তাৰ কৰা হয়। অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা- এন আই এৰ কাৰিকৰী সহযোগত চলোৱা এই অভিযান বিভিন্ন সূত্ৰৰ পৰা পোৱা চোৰাংচোৱা তথ্যৰ ভিত্তিত চলোৱা হয়। গ্ৰেপ্তাৰ কৰা ব্যক্তিসকলৰ প্ৰাৰম্ভিক জেৰাৰ পাছত অভিযোগনামা দাখিল কৰা হৈছে। আৰক্ষী সূত্ৰই পৰৱৰ্তী জেৰাৰ পাছত ঘটনা সংক্ৰান্তত আৰু অধিক তথ্য পোৱা যাব বুলি আশা কৰা হৈছে।

০০০

আজি বিশ্ব গঁড় দিৱস। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে গঁড় সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে। শ্ৰীমোদীয়ে বিগত বছৰসমূহত দেশে গঁড় সংৰক্ষণৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰি ইয়াৰ সৈতে জড়িত কৰ্মচাৰীসকলৰ প্ৰশংসা কৰে। তেওঁ কয় যে আমাৰ দেশ এটা খড়্গযুক্ত গঁড়ৰ বৃহৎ বিচৰণভূমি আৰু এয়া অত্যন্ত গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰীয়ে অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ কথা স্মৰণ কৰি সকলোকে কাজিৰঙা ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে শ্ৰী মোদীয়ে যোৱা ৮ আৰু ৯ মাৰ্চত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছিল।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও বিশ্ব গঁড় দিৱসৰ দিনটোত ৰাজ্যিক পশুবিধৰ সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ কথা দোহাৰে। তেওঁ অসমৰ জৈৱ বৈচিত্ৰ্যৰ অমূল্য ৰত্নস্বৰূপ গঁড়ৰ সুৰক্ষা, আৱাসিক এলেকাৰ সম্প্ৰসাৰণ আৰু সামগ্ৰিকভাৱে সংৰক্ষণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ কথা উল্লেখ কৰে।

উল্লেখযোগ্য যে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্ব গঁড় দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ৫ খন জিলা সামৰি বোকাখাতৰ ধনশিৰিমুখ, বিশ্বনাথ সংমণ্ডল আৰু লাওখোৱা বুঢ়াচাপৰিৰ পৰা প্ৰতীকি গঁড় লৈ শোভাযাত্ৰা উলিওৱা হৈছে। আনহাতে, বিয়লি কহৰাৰ শতবৰ্ষ উদযাপন কেন্দ্ৰত কেন্দ্ৰীয়ভাৱে বিশ্ব গঁড় দিৱসৰ আয়োজন কৰা হয়।

মানস ৰাষ্ট্ৰীয় উদ্যানতো বিশ্ব গঁড় দিৱসৰ লগত সংগতি ৰাখি  বাঁহবাৰী বনাঞ্চলত **কিপ দ্যা ফাইভ এলাইভ** মূল মন্ত্ৰৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সেই অনুসৰি পুৱাৰ ভাগত সজাগতামূলক চাইকেল সমদল উলিওৱা হয়। এই কাৰ্যসূচীৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে জনসাধাৰণক গঁড় সুৰক্ষাৰ ক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায়।

ওৰাং ৰাষ্ট্ৰীয় উদ্যানতো গঁড় সুৰক্ষা সন্দৰ্ভত সজাগতা কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি এদিনীয়া ভ্ৰমণসূচীৰে  ধুবুৰীত উপস্থিত হৈছে। ৰাজ্যপালগৰাকীয়ে প্ৰথমে জিলাখনৰ গোলকগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তত থকা শেষৰখন গাঁও ৰামৰায়কুটিৰ সত্ৰশাল পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত তেওঁ সত্ৰশালৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলত কৰ্মৰত সীমান্ত সুৰক্ষা বাহিনীৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে সীমান্তৰ বিভিন্ন সমস্যা তথা নিৰাপত্তা সন্দৰ্ভত আলোচনাত মিলিত হয়। শ্ৰী আচাৰ্যই সীমান্ত সুৰক্ষা বাহিনীৰ মহিলা জোৱানসকলৰ সৈতে মত বিনিময় কৰি দেশৰ সীমা সুৰক্ষাৰ ক্ষেত্ৰত মহিলাসকলে আগবঢ়োৱা বৰঙণিক শক্তিৰ ৰূপ বুলি আখ্যা দিয়ে। ভ্ৰমণকালত ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ গাঁওবাসীৰ সৈতেও বাৰ্তালাপ কৰে।

০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত ইতিমধ্যে ঘোষণা কৰা চি-টেটৰ দিন সলনি কৰা হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ১৫ ডিচেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰা হ'ব। পূৰ্বে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰত দেশৰ মুঠ ১৩৬ খন চহৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চি-টেটৰ অনলাইন প্ৰক্ৰিয়াৰ আবেদন অহা ১৬ অক্টোবৰত অন্ত পৰিব।

০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক সভাপতি হিচাপে লৈ ২০২৪ৰ পৰা ২০২৮ বৰ্ষলৈ অসম অলিম্পিক সন্থাৰ নতুন সমিতি ঘোষণা কৰা হৈছে। ডিব্ৰুগড়ত অনুষ্ঠিত সন্থাৰ সভাত চাৰিটা পদবীৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। আন পদসমূহত ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে বিষয়ববীয়া নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছিল। সন্থাৰ দুটা জ্যেষ্ঠ উপ-সভাপতি পদৰ বাবে কোনো প্ৰাৰ্থীকে আজি মনোনীত বা নিৰ্বাচিত কৰা হোৱা নাই। লক্ষ্য কোঁৱৰ সাধাৰণ সম্পাদক আৰু অশোক কুমাৰ ভৰালী  সংস্থাৰ কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। উপ-সভাপতি পদত সুবোধ মল্লবৰুৱা, সুশান্ত বিশ্ব শৰ্মা, ৰাজ কাকতি, শিলাদিত্য দেৱকে ধৰি মুঠ ১০ গৰাকী ব্যক্তি নিৰ্বাচিত হৈছে। সহ-সম্পাদক পদত অংশুমান দত্ত, ৰবিন শইকীয়াকে ধৰি মুঠ ৮ গৰাকী প্ৰাৰ্থী নিৰ্বাচিত হৈছে।

০০০

আজি বিশ্ব নদী দিৱস। নদী সুৰক্ষাৰ প্ৰতি সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতিবছৰৰ ছেপ্তেম্বৰ মাহৰ চতুৰ্থটো দেওবাৰে এই দিৱস পালন কৰা হয়। মানৱ সভ্যতা অতিজৰে পৰা নদী কেন্দ্ৰীক আৰু ইয়েই জনসাধাৰণৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণত সহায় কৰি আহিছে। সম্প্ৰতি জনসংখ্যা বিস্ফোৰণ, আধুনিকতা আৰু আন্তঃগাথনি নিৰ্মাণৰ বাবে বিভিন্ন কাৰ্যকলাপ আৰু পৰিৱেশ প্ৰদূষণৰ ফলত নদীসমূহতো প্ৰদূষণ বৃদ্ধি পাইছে। ইয়াৰ ফলত বিভিন্ন জীৱন ধাৰা আৰু কলা সংস্কৃতিৰ ধাৰাবাহিকতা কঢ়িয়াই পলসেৰে ভূমি সাৰুৱা কৰা একোখন নদী কোনো কোনো সময়ত অস্তিত্বই হেৰাই গৈছে। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বজুৰি এই দিৱস পালনৰ গুৰুত্ব বৃদ্ধি পাই আহিছে। ২০০৫ চনৰ পৰাই এই দিৱস পালন কৰা হৈ আহিছে। অসমতো আজি বিশ্ব নদী দিৱস উপলক্ষে নদী সংৰক্ষণৰ প্ৰতি সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। গুৱাহাটী মহানগৰীত আজি ভৰলু নৈক প্ৰদূষণমুক্ত কৰাৰ বাবে সজাগতা কাৰ্যসূচীও লোৱা হয়। গুৱাহাটী পৌৰ নিগম আৰু ছেভ ভৰলুৰ উদ্যোগত মহানগৰীৰ বিভিন্ন প্ৰান্তত দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাই আজি এই দিৱস উপলক্ষে দিয়া বাৰ্তাত কয় যে, ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়ে অতিজৰে পৰা ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰি ৰখাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে, নদী পৃথিৱীৰ হৃদযন্ত্ৰস্বৰূপ যদিও বিগত দশককেইটাত প্ৰদূষণৰ ফলত নদীসমূহৰ অপব্যৱহাৰে পৰিৱেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। মন্ত্ৰীগৰাকীয়ে আজিৰ দিনটোতে নদী মাতৃক দেশৰ নাগৰিক হিচাপে সকলোকে নদীসমূহ পৰিস্কাৰ আৰু প্ৰদূষণমুক্ত কৰি ৰখাৰ বাবে সংকল্প লবলৈ আহ্বান জনায়।

০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ এশ দিন উপলক্ষে চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ লক্ষ্য লৈছে। ইয়াৰ অধীনত মহিলাৰ দ্বাৰা ক্ৰয় কৰা সম্পত্তিৰ বাবে ষ্টাম্প শুল্ক হ্ৰাস কৰিবলৈ ৰাজ্যসমূহক উৎসাহিত কৰা হৈছে। তদুপৰি হোষ্টেল আৰু মহিলা নিৰ্ধাৰিত দক্ষতা কাৰ্যসূচীৰজৰিয়তে মহিলাৰ কৰ্মশক্তিৰ অংশগ্ৰহণত উদগণি যোগোৱা হৈছে। পৰ্যটন খণ্ডত মহিলাসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ পৰ্যটন দিদি আৰু পৰ্যটন মিত্ৰ আঁচনি লোৱা হৈছে। তদুপৰি গ্ৰাম্য জীৱিকাৰ সুবিধা বৃদ্ধি কৰিবলৈ ৰাষ্ট্ৰীয় গ্ৰামীন জীৱিকা মিছনৰ অধীনত ৯০ লাখৰো অধিক আত্মসহায়ক গোটত ১০ কোটি মহিলাক সংগঠিত কৰা হৈছে।

০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত যোৱা ১৯ চেপ্তেম্বৰৰ পৰা ৪ দিনীয়াকৈ অনুষ্ঠিত ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ আজি সামৰণি পৰে। এই কাৰ্যসূচীত ৪০ খন সত্ৰ অনুষ্ঠিত হয়। অনুষ্ঠানসমূহত বিভিন্ন ৰাজ্যৰ সংশ্লিষ্ট বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় তথা সংস্থাসমূহৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত এহেজাৰ ৫৫৭ গৰাকী প্ৰদৰ্শনকাৰীয়ে বিভিন্ন উদ্ভাৱন প্ৰদৰ্শন কৰে। কাৰ্যসূচীত ২০ খন দেশৰ পেভেলিয়ন মুকলি কৰা হয়। ১০৮ খন ৰাষ্ট্ৰৰ ৮০৯ গৰাকী ক্ৰেতা আৰু ২ হেজাৰ ৩৯০গৰাকী বিদেশী প্ৰতিনিধিয়ে এই অনুষ্ঠানত অংশ লয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নৱীকৰণযোগ্য শক্তি দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশী আৰু খাদ্য প্ৰসংস্কৰণ উদ্যোগ দপ্তৰৰ মন্ত্ৰী চিৰাগ পাছোৱানে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। আনহাতে, এই অনুষ্ঠানৰ প্ৰথম দিনা ভিডিঅ' বাৰ্তাযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেন্দ্ৰীয় চৰকাৰে দেশৰ উদ্ভাৱন, বহনক্ষমতা আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত গোলকীয় মান নিৰ্ধাৰণৰ বাবে বদ্ধপৰিকৰ বুলি মন্তব্য কৰিছিল। তেওঁ কয় যে, ভাৰতৰ বিচিত্ৰ আৰু সমৃদ্ধ খাদ্য সংস্কৃতি আছে আৰু দেশৰ কৃষকসকল খাদ্য ব্যৱস্থাৰ মেৰুদণ্ডস্বৰূপ। তেওঁ কয় যে চৰকাৰে কৃষকসকলক উদ্ভাৱনমূলক নীতি

আৰু গুৰুত্ব সহকাৰে আঁচনি ৰূপায়ণৰ দ্বাৰা সহায় কৰি আহিছে। প্ৰগতিশীল কৃষি পদ্ধতিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, শক্তিশালী প্ৰশাসনীয় পৰিকাথামো আৰু নতুন প্ৰযুক্তিৰ সহায়ত ভাৰতে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত ব্যাপক সংস্কাৰ আৰু ৰূপান্তৰ সাধন কৰিছে। কেন্দ্ৰীয় চৰকাৰে আধুনিক আন্তগাথনিৰ ক্ষেত্ৰত শক্তিশালী পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাৰ লগতে দেশত কৰ্ম সংস্থাপন সৃষ্টিৰ লক্ষ্যৰে যোগান শৃংখলা সৃষ্টি কৰিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত এশ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ সম্ভৱ হৈছে। প্ৰধানমন্ত্ৰী কিষাণ সম্পদা যোজনাৰ দৰে আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি তেঁও কয় যে, চৰকাৰে কৃষকসকলৰ লগতে ক্ষুদ্ৰ উদ্যোগসমূহক শক্তিশালী কৰাৰ বাবেও প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৱৰ্ল্ড ফুড ইণ্ডিয়া ২০২৪ ৰ অনুষ্ঠানত বিভিন্ন ৰাষ্ট্ৰৰ অংশগ্ৰহণৰ প্ৰসংগত তেঁও কয় যে, সমগ্ৰ বিশ্বৰ সৈতে একেলগে কাম কৰাৰ বাবে এয়া এখন আদৰ্শ মঞ্চ হিচাপে পৰিগণিত হৈছে।

০০০

স্বচ্ছ ভাৰত অভিযানৰ অংশস্বৰূপে যোৱা ১৭ চেপ্তেম্বৰৰ পৰা দেশজুৰি অব্যাহত থকা স্বচ্ছতা সেৱা কাৰ্যসূচী চৰাইদেউ জিলাতো ৰূপায়ণ কৰা হৈছে। জিলা জনস্বাস্থ্য বিভাগৰ অধীনৰ পানী আৰু অনাময় সমিতিৰ উদ্যোগত গছপুলি ৰোপণ কাৰ্যসূচীৰে এই অভিযানৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক স্বচ্ছতাৰ শপত বাক্য পাঠ কৰোৱা হয়। আনহাতে শিক্ষাৰ্থীসকলৰ মাজত দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কৃত কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি লংপটীয়া গাওঁ পঞ্চায়তত পুৰাৰ ভাগত মাৰাথান আৰু প্ৰীতি ফুটবলৰ আয়োজন কৰা হয়। তদুপৰি সোণাৰী পৌৰ সভাৰ দ্বাৰা নিৰ্বাচিত ৫ গৰাকী ছাফাই শ্ৰমিকক ছাফাই মিত্ৰ সুৰক্ষা কাৰ্ড প্ৰদান কৰা হয়।

০০০০

বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্ট শৃংখলাৰ প্ৰথমখন খেলত ভাৰত ২৮০ ৰাণত জয়ী হৈছে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত খেলখনৰ আজি চতুৰ্থ দিনা বাংলাদেশে নিজৰ দ্বিতীয় ইনিংছত ২৩৪ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ ৰবীচন্দ্ৰন অশ্বিনে দ্বিতীয় ইনিংছত ৬ টা উইকেট দখল কৰে। ইয়াৰ জৰিয়তে টেষ্টৰ এটা ইনিংছত সৰ্বাধিকবাৰ ৫ টা উইকেট দখল কৰা অভিলেখৰ ক্ষেত্ৰত কিংবদন্তি স্পীনাৰ শ্বেইন ৱাৰ্ণৰ সৈতে অশ্বিনে সমতা স্থাপন কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি বেটিং কৰিবলৈ আমন্ত্ৰণ জনোৱাৰ পাছত ভাৰতে ৰবীচন্দ্ৰন অশ্বিনৰ ১১৩ আৰু ৰবীন্দ্ৰ জাদেজাৰ ৮৬ ৰাণৰ সহায়ত ৩৩৬ ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত মাত্ৰ ১৪৯ ৰাণত বাংলাদেশৰ প্ৰথম ইনিংছৰ অন্ত পৰাত দ্বিতীয় ইনিংছত ভাৰতে ৪ উইকেটত ২৮৭ ৰাণ কৰি ইনিংছ ঘোষণা কৰিছিল। খেলখনত অল ৰাউণ্ড প্ৰদৰ্শনৰ বাবে ৰবীচন্দ্ৰন অশ্বিনলৈ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়। শৃংখলাৰ পৰৱৰ্তী খেলখন ২৭ ছেপ্তেম্বৰৰ পৰা কানপুৰত অনুষ্ঠিত হ'ব।

০০০

মাজুলীৰ চৰাইচোঙক পক্ষী পৰ্যটন উদ্যোগৰূপে গঢ় দিয়াৰ উদ্দেশ্যে আজি ২ নম্বৰ গড়মুৰ সদৰ প্ৰাথমিক বিদ্যালয়ত মাজুলীৰ সাহিত্য নামৰ সংগঠনৰ উদ্যোগত চৰাইচোঙ পক্ষী পৰ্যটন টুৰিষ্ট গাইডৰ এদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মাজুলীৰ দুগৰাকী গাইড মনজিত ৰিজং আৰু মিতু খাটনিয়াৰে প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত সমাজকৰ্মী যুগল হাজৰিকা মাজুলীৰ পৰ্যটন ক্ষেত্ৰৰ বিষয়ে উল্লেখ কৰে।

০০০

রাজ্যৰ সমাগত পঞ্চায়ত নিৰ্বাচনত আম আদমী পাৰ্টীয়ে অন্য কোনো দলৰ সৈতে মিত্ৰতা নকৰে বুলি দলৰ নৱনিযুক্ত ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰে আজি গুৱাহাটীত প্ৰকাশ কৰে। দলৰ ৰাজ্যিক কাৰ্যালয়ত অনুষ্ঠিত কাৰ্যকৰ্তা সভাত এই বিষয়ে প্ৰকাশ কৰি তেওঁ দলীয় কৰ্মীসকলক সক্ৰিয় ভূমিকা লববলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে, দলটোৱে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হলে চৰকাৰী শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে দিল্লী আৰু পাঞ্জাৱ চৰকাৰে গ্ৰহণ কৰা অনুৰূপ ব্যৱস্থা দলেও গ্ৰহণ কৰিব। আজিৰ অনুষ্ঠানত দলৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেত্ৰী আতিশী মাৰ্লেনাৰ দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ, বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ নতুন দিল্লীত এন পি এছ বাৎসল্য আঁচনিৰ শুভাৰম্ভ, কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন বিভাগৰ শ্ৰেষ্ঠ পৰ্যটন গাওঁসমূহৰ ভিতৰত অন্যতম হিচাপে বস্ত্ৰনগৰী শুৱালকুছিক নিৰ্বাচন, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি মুকলি, দেশৰ অন্যান্য ঠাইৰ লগতে অসমতো স্বচ্ছতাই সেৱা অভিযান ২০২৪ আদিকে ধৰি ভিন ভিন বাতৰিয়ে বিগত সপ্তাহত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰিছে।

আম আদমী পাৰ্টীৰ জ্যেষ্ঠ নেত্ৰী আতিশী মাৰ্লেনাৰ কালি দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ নিৱাসত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত দিল্লীৰ উপৰাজ্যপাল এল জি ভি কে সাক্সেনাই আতিশীৰ লগতে মন্ত্ৰী পৰিষদৰ শপত বাক্য পাঠ কৰোৱায়। ০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত এন পি এছ বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰে। ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত এই আঁচনিখনৰ কথা ঘোষণা কৰা হৈছিল। এই উপলক্ষে শ্ৰীমতী সীতাৰমনে কয় যে শিশুসকলে এই আঁচনিৰ জৰিয়তে ধন জমা থোৱাৰে পৰাই উচ্চ হাৰৰ ৰিটাৰ্ণ লাভ কৰিব। তেওঁ পিতৃ-মাতৃ আৰু অভিভাৱকসকলক নাবালকসকলৰ বাবে জন্ম দিন বা অন্য উপলক্ষ্যত এই আঁচনিত বিনিয়োগ কৰাৰ পৰামৰ্শ আগবঢ়ায়। ০০০

কেন্দ্ৰীয় চৰকাৰৰ পৰ্যটন বিভাগে শিল্পকলা শ্ৰেণীৰ শ্ৰেষ্ঠ পৰ্যটন গাওঁসমূহৰ ভিতৰত অন্যতম হিচাপে বস্ত্ৰনগৰী শুৱালকুছিক নিৰ্বাচন কৰিছে। প্ৰতিবছৰে দেশৰ ভিন্ন প্ৰান্তৰ শিল্পকলা শ্ৰেণীৰ অন্তৰ্ভুক্ত ভিন্ন স্থানক কেন্দ্ৰীয় পৰ্যটন বিভাগে নিৰ্বাচিত কৰি আহিছে। ০০০

ৰাজ্যত মহিলা সৱলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে যোৱা বৃহস্পতিবাৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় মুকলি কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিছপুৰ জনতা ভৱনৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে তৃতীয় পৰ্যায়ৰ অৰুণাদয় আঁচনি মুকলি কৰি কয় যে, ৰাজ্যৰ ৩৭ লাখ পৰিয়ালে প্ৰতিমাহে এহেজাৰ ২৫০ টকাকৈ সাহায্য লাভ কৰাটো নিশ্চিত কৰিবলৈ ১২৬ টা বিধানসভা সমষ্টিৰ মহিলাসকলৰ সৈতে এই যাত্ৰা আৰম্ভ কৰা হয়। মুখ্যমন্ত্ৰীয়ে অহা কেইসপ্তাহমানৰ ভিতৰতে এই অভিলাষী আঁচনিৰ অধীনত ১২ লাখ হিতাধিকাৰীৰ নাম সন্নিবিষ্ট কৰা হ'ব বুলি উল্লেখ কৰে। এই আঁচনিৰ বাবে বিধবা, ৪৫ বছৰ বয়সৰ ঊৰ্ধবৰ অবিবাহিতা, বিবাহ বিচ্ছেদিত আৰু অকলশৰীয়া মহিলাৰ লগতে তৃতীয় লিংগ, দিব্যাংগ, চৰকাৰী পঞ্জীয়নভুক্ত বৃদ্ধাশ্ৰমত থকা মহিলা তথা বয়োজ্যেষ্ঠ বা ৰুগীয়া মহিলা, আশ্ৰয়হীন পৰিয়ালৰ মহিলা, মগনীয়া, অন্ত্যোদয়া অন্ন যোজনাৰ মহিলা হিতাধিকাৰী, বাৰ্ষিক উপাৰ্জন ২ লাখ টকাতকৈ কম হোৱা পৰিয়ালৰ মহিলা, এইছ আই ভি, থেলাছেমিয়া আদিত আক্ৰান্ত ৰোগী থকা পৰিয়ালৰ মহিলা আৰু পৰিয়ালৰ উপাৰ্জনক্ষম ব্যক্তিগৰাকী ৬০ বছৰ ঊৰ্ধবৰ অথবা দিব্যাংগ হ'লে তেনে ঘৰৰ মহিলাই আবেদন কৰিব পাৰিব।

০০০০

দেশৰ অন্যান্য ঠাইৰ লগতে অসমতো যোৱা মঙলবাৰে স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হৈছে। উক্ত দিনটোত গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত মহানগৰীৰ গীতামন্দিৰ চৌহদত স্বচ্ছ আৰু সেউজ গুৱাহাটী গঢ়ি তোলাৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়। এইবাৰৰ অভিযানৰ বিষয়বস্তু হৈছে স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা। ০০০০

কেন্দ্ৰীয় কেবিনেটে যোৱা বুধবাৰে এখন দেশ এটা নিৰ্বাচনত অনুমোদন জনাইছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠন কৰা সমিতিয়ে দেশৰ সাধাৰণ নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যসমূহতো একে সময়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দাখিল কৰিছিল। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা প্ৰকাশ কৰি কয় যে, ৰামনাথ কোবিন্দৰ নেতৃত্বত গঠন কৰি দিয়া সমিতিখনে নিৰ্বাচনৰ সৈতে জড়িত সকলো পক্ষ তথা ৰাজনৈতিক দল আৰু বিশেষজ্ঞৰ সৈতে মত বিনিময় কৰি প্ৰস্তাৱ দাখিল কৰিছিল। লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, **এখন দেশ এটা নিৰ্বাচন**ৰ প্ৰস্তাৱ দুটা পৰ্যায়ত কাৰ্যকৰী কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভা নিৰ্বাচন একেলগে পতা হ'ব। নিৰ্বাচনৰ ১০০ দিনৰ পিছত দ্বিতীয় পৰ্যায়ত গাঁও পঞ্চায়ত, পৌৰ নিগম আদি স্থানীয় নিকায়সমূহৰ নিৰ্বাচন পতা হ'ব।

০০০০

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিত চমু অৱলোকন।

০০০০

সমাপ্ত